কথা শিল্প প্ৰসঙ্গ

Directorate of Library Services
No.____
Date____
ASSAM, GAUHATI

ড° পৰাগকুমাৰ ভট্টাচাৰ্য

গ্ৰন্থপীঠ, পাণবজাৰ
গুৱাহাটী—১

KATHA SILPA PARSANGA   A Collection of literary essays on short story and novel by Dr Parag Kumar Bhattacharyya M A, Ph D and Published by Sri Niharendra Chowdhury, Granthapeeth, Panbazar Guwahati Price Rupees Fifty Only

---

প্ৰকাশক :
শ্ৰীনীহাৰেন্দ্ৰ চৌধুৰী
গ্ৰন্থপীঠ,
পানবজাৰ, গুৱাহাটী—১

প্ৰথম সংস্কৰণ—১৯৯৪ চন

শ্ৰীমাকনীপ্ৰভা শৰ্মা ভট্টাচাৰ্য, এম এ

মূল্য : ৫০ ০০ (পঞ্চাশ টকা) মাত্ৰ

ছপা :
নেচনেল টেক্‌নো প্ৰিণ্টাৰ্চ
কুমাৰপাৰা, গুৱাহাটী-৭৮১ ০০১

চেনেহৰ অনুজ, অনুজা
মণ্টুল (প্ৰনৱপ্ৰাণ)
ফুনু (প্ৰহাস)
ৰীতা (পূণ্যশ্ৰী)

কল্যাণবৰেষু

দাদা—

পাতনি

'কথাশিল্প প্ৰসঙ্গ' চুটিগল্প আৰু উপন্যাস সম্পৰ্কে আলোচনা কৰা কেইটামান প্ৰবন্ধৰ সংকলন। এই প্ৰবন্ধবোৰ ইতিমধ্যে অসম সাহিত্য সভা পত্ৰিকা, প্ৰতিধ্বনি, নীলাচল, The Assam Tribune, The Sentinel, আজিৰ বাতৰি আদি ভিন্ন আলোচনী আৰু বাতৰি কাকতত প্ৰকাশিত। বাতৰি কাকত তথা বিভিন্ন চেমিনাৰত পাঠ কৰা ইংৰাজী প্ৰবন্ধবোৰ মোৰ কনিষ্ঠ ভাতৃ শ্ৰীপ্ৰহাস কুমাৰ ভট্টাচাৰ্য এম, এ আৰু সহধৰ্মিনী শ্ৰীমতী মাককনী প্ৰভা শৰ্মাভট্টাচাৰ্য এম, এ দুয়ো লগ লাগি অসমীয়ালৈ অনুবাদ কৰিছে। সেই প্ৰবন্ধবোৰ তেওঁলোকৰ ভাষাতেই ছপা হৈছে।

এই প্ৰবন্ধবোৰ সাধাৰণতে ছাত্ৰ ছাত্ৰীসকলৰ উদ্দেশ্য ৰচিত হোৱা নাছিল যদিও গ্ৰন্থত সন্নিবিষ্ট কৰাৰ সময়ত সেই দিশলৈ চোৱা হৈছে। সেয়ে মূল প্ৰবন্ধবোৰত হাতফুৰাই তাক নতুন নতুন ৰূপ দিয়া হৈছে। যিমানদূৰ সম্ভৱ সৰল আৰু পোনপটীয়াভাৱে বিষয়বস্তুক উপস্থাপনা কৰা হৈছে। বঙলা আৰু ইংৰাজী তথা বিদেশী সাহিত্যৰ সন্দৰ্ভত যিবোৰ আলোচনা সন্নিবিষ্ট হৈছে সেইবোৰো অসমীয়া স্নাতকোত্তৰ শ্ৰেণীৰ পাঠ্যবস্তুৰ আধাৰত কৰা। অসমীয়া সাহিত্যত সেই প্ৰসঙ্গত বিশেষ আলোচনা নোহোৱা বাবে ছাত্ৰ সকলৰ সুবিধাৰ্থে সেই বিষয় বোৰৰ ওপৰত সাধাৰণভাৱে আলোকপাত কৰা হৈছে। পণ্ডিতমণ্ডলীৰ বুদ্ধিদীপ্ত অৱলোকনত গ্ৰন্থখনত নিঃস্বতা প্ৰকাশ পালেও ছাত্ৰ-ছাত্ৰী-সকলৰ কামত আহিলেই ই এখন সাৰ্থক গ্ৰন্থ হোৱা বুলি ধৰি লম। ইতিমধ্যে প্ৰকাশিত মোৰ প্ৰতিখন প্ৰসঙ্গ পুথিয়ে ছাত্ৰ-ছাত্ৰী তথা শিক্ষকমণ্ডলীৰ মৰমেৰে ধন্য হৈছে। এই গ্ৰন্থখনেও তেওঁলোকৰ পৰা সমাদৰ পালে নিজক কৃতাৰ্থ মানিম।

গ্ৰন্থখন প্ৰকাশ কৰিবলৈ গাত লোৱা বাবে প্ৰকাশক শ্ৰীযুত নীহাৰেন্দ্ৰ চৌধুৰীলৈ মোৰ আন্তৰিক কৃতজ্ঞতা প্ৰকাশ কৰিলো। গ্ৰন্থখনৰ নামকৰণ মোৰ অন্তৰঙ্গ বন্ধু অধ্যাপক শ্ৰীপৰাগ দাসগুপ্তৰ। ইতিমধ্যে প্ৰসঙ্গ শব্দ সন্নিবিষ্ট হৈ প্ৰকাশ পোৱা মোৰ গ্ৰন্থবোৰৰ লগত মিলাই দাসগুপ্তদেৱে এই গ্ৰন্থৰ নামৰ লগতো প্ৰসঙ্গ শব্দ সংযোগ কৰিবলৈ দিহা দিলে কথাশিল্প প্ৰসঙ্গ

সহৃদয় পাঠকৰ মৰমৰ আশাৰে

পাণ্ডু মহাবিদ্যালয়
গুৱাহাটী—১২

পৰাগকুমাৰ ভট্টাচাৰ্য

॥ বিষয় সূচী ॥

(চুটিগল্প)

১। চুটিগল্পত ভিন্নউপাদানৰ প্ৰভাব — ১-৮
২। চুটিগল্পত আধুনিক জীৱন চেতনা — ৯-১৮
৩। সমাজ সচেতন গল্পকাৰ ৰবীন্দ্ৰনাথ আৰু লক্ষ্মীনাথ— ১৯-২৯
৪। ৰবীন্দ্ৰগল্পৰ অতি প্ৰাকৃতিকতা আৰু বাস্তৱতা— ৩০-৩৮
৫। ৰবীন্দ্ৰনাথৰ পোষ্টমাষ্টাৰ : এটি বিশ্লেষণ — ৩৯-৪৫
৬। ৰবীন্দ্ৰনাথৰ পাৰিবাৰিক জীৱনৰ গল্প ৰামকানাইয়েৰ নিবুদ্ধিতা আৰু সমাপ্তি — ৪৬-৫৪
৭। প্ৰেমেন্দ্ৰ মিত্ৰৰগল্প তেলেনাপোতা আবিস্কাৰ . এটি বিশ্লেষণ—৫৫-৫৯
৮। ত্ৰৈলোক্যনাথ গোস্বামীৰ গল্পত সমাজৰ প্ৰভাৱ — ৬০-৬৯
৯। অসমীয়া গল্পত পাশ্চাত্য প্ৰভাৱ — ৭০-৭৭
১০। বেজবৰুৱাৰ ধোৱাখোৱা : এটি চমু বিশ্লেষণ — ৭৮-৮২

(উপন্যাস)

১১। চুটিগল্প আৰু উপন্যাস — ৮৩-৮৮
১২। উপন্যাস আৰু নাটক — ৮৯-৯৫
১৩। উপন্যাসৰ "প্লট" — ৯৬-১০১
১৪। উপন্যাসৰ চৰিত্ৰাংকন — ১০২-১০৮
১৫। উপন্যাসৰ পটভূমি — ১০৯-১১২
১৬। উপন্যাসৰ শ্ৰেণীবিভাগ — ১১৩-১১৮
১৭। ঐতিহাসিক উপন্যাস — ১১৯-১২৭

১৮। যুগান্তকাৰী উপন্যাস — ১২৮-১৩৩
১৯। আধুনিক উপন্যাস — ১৩৪-১৪১
২০। আধুনিকতাৰ উত্তৰ সুৰী আৰ্ণেষ্ট হেমিংওৱে — ১৪২-১৪৮
২১। হেমিংওৱেৰ "দি ওল্ডমেন এণ্ড দি চী" — ১৪৯-১৫২
(এটা টোকা)
২২। ঔপন্যাসিক ৰবীন্দ্ৰনাথ — ১৫৩ ১৭১
২৩। ৰবীন্দ্ৰনাথৰ ঘৰে বাইৰে — ১৭২-১৭৯
২৪। আব্দুল মালিকৰ সূৰুযমুখীৰ স্বপ্ন — ১৮০-১৮৭
২৫। এখন জীৱনীমূলক উপন্যাস : ওমৰ খাযাম — ১৮৮-২০১
২৬। অসমীয়া সামাজিক উপন্যাসৰ ভূমিকা — ২০৩

Directorate of Library Services
No........
Date........
ASSAM, GUWAHATI

চুটিগল্পত ভিন্ন উপাদানৰ প্ৰভাব

সাহিত্য জগতত চুটি গল্পৰ আবিৰ্ভাৱ সৌ সিদিনাৰ যদিও কাহিনী কথকতাৰ ধাৰা আৰম্ভ হৈছিল আদিম যুগতেই। সেই কথা শৈলীৰ লগত বৰ্ত্তমানৰ চুটিগল্পক অৱশ্যে কোনো পধ্যেই বিজাব নোৱাৰি। কাৰণ আধুনিক চুটি গল্প হ'ল Chambers Encyclopaedia ৰ ভাষাত Consciously Contrived Pieces of writing বৰ্ত্তমানৰ জীৱন চেতনাৰ ই সাৰ্থক বাহন। সেয়ে আদিম মানুহে জুই জ্বলাই তাৰ চাৰিওকাষে বহি লৈ চিকাৰ বা দুঃসাহসিক অভিযানৰ কাহিনী কথকতাৰে গল্প ধাৰাৰ পাতনি মেলিছিল যদিও বৰ্ত্তমানৰ চুটি গল্প সেই ধাৰাৰ সাক্ষী হৈ থকা নাই। অৱশ্যে দুঃসাহসিকতাৰ প্ৰতি তীব্ৰ আকৰ্ষণ আজিৰ গল্প সাহিত্যলৈয়ো সম্প্ৰসাৰিত হৈছে।

বৰ্ত্তমানৰ ব্যস্ত জীৱনৰ পটভূমিত খুব কম সময়ৰ ভিতৰত, কম পৰিসৰত কোনো এটা কাহিনী দাঙি ধৰা হয় চুটি গল্পত। তাত থাকে ব্যঞ্জনধৰ্মিতা, তীৰ্যক কথনভঙ্গী, বিন্দুত সিন্ধু প্ৰকাশ কৰাৰ কৌশল, গীতিধৰ্মিতা, লেখকৰ বিশেষ মুদ বা মেজাজৰ প্ৰক্ষেপন আৰু সমাপ্তিৰ পাছতো মনত বৈ বৈ বজা এক বিশেষ মধুৰ অনুভূতি। চুটি গল্পৰ এই সকলোবোৰ লক্ষণৰ জন্ম দিছে আধুনিক জীৱন চেতনাই। আনকি ইয়াৰ হ্ৰস্বতা আৰু দীৰ্ঘতাকো নিয়ন্ত্ৰণ কৰিছে আধুনিক প্ৰয়োজনীয়তাই। সাম্প্ৰতিক কালৰ আলোচনীবোৰৰ প্ৰয়োজন পুৰাবৰ বাবেই এই গল্প সাহিত্যই নিজৰ অবয়ব সৰু কৰিব লগা হৈছে। ইয়াৰোপৰি মহাকাব্য তথা উপন্যাস আদিৰ দীৰ্ঘ অবয়বেও পাঠকক